জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭৪৪/২০২০

## শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন অনুষ্ঠানত অংশ ল'লে মুখ্যমন্ত্ৰী সোণোৱালে

## শংকৰদেৱ কলাক্ষেত্ৰই ৰাজ্যৰ সাংস্কৃতিক, সামাজিক আৰু আধ্যাত্মিক জীৱন শক্তিশালী কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৯ নৱেম্বৰ ঃ** 'সাংস্কৃতিক, সামাজিক আৰু আধ্যাত্মিকভাৱে অসমৰ সমাজ জীৱন শক্তিশালী কৰাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰই বিগত বৰ্ষসমূহত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বৰাক-ব্ৰহ্মপুত্ৰ-পাহাৰ-ভৈয়ামত বসবাস কৰা ৰাজ্যৰ জনসাধাৰণৰ মাজত সমন্বয় সুদৃঢ় কৰাৰ লগতে কলাক্ষেত্ৰই বহু প্ৰতিভাসম্পন্ন শিল্পী সৃষ্টি কৰিছে।' আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত কলাক্ষেত্ৰ চৌহদত অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। উল্লেখ্য যে প্ৰায় এবছৰ বিৰতিৰ মূৰত আজিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ কাৰ্যসূচীৰ জৰিয়তে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ দৰ্শনাৰ্থীৰ বাবে মুকলি কৰা হৈছে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধ্যমেদি গুৰুজনাৰ সমন্বয় আৰু একতাৰ আদৰ্শ সুদৃঢ় কৰিবলৈ কাম কৰিব লাগিব। ৰাজ্যৰ ৩ কোটি ৩০ লাখ জনসাধাৰণৰ মাজতে কলাক্ষেত্ৰৰ গুৰুত্ব আৰু ভূমিকা সীমাবদ্ধ কৰি নাৰাখি বিশ্বত অসমীয়া জাতিক শক্তিশালীভাৱে প্ৰতিষ্ঠা কৰাত এই সাংস্কৃতিক প্ৰতিষ্ঠানে যাতে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব পাৰে সেই লক্ষ্যৰে কাম কৰিব লাগিব।

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ নিৰ্মাণৰ বাবে মুখ্য ভূমিকা লোৱা তদানীন্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ লগতে এই অনুষ্ঠানটোৰ প্ৰতিষ্ঠা কালৰে পৰা জড়িত বিশিষ্ট ব্যক্তিসকলৰ অৱদানৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সম্পদ আৰু সম্ভাৱনীয়তা উঠি অহা প্ৰজন্মক অৱগত কৰাৰ প্ৰয়োজন আছে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে দেশৰ বিভিন্ন ঠাইত নিজৰ শাখা প্ৰতিষ্ঠা কৰি গুৰুজনাৰ আদৰ্শ বিয়পাবলৈ পদক্ষেপ গ্ৰহণ কৰিব। সমাজ একত্ৰিত কৰা আৰু ভক্তিৰ জৰিয়তে অন্তৰ জয় কৰাৰ গুৰুজনাৰ আদৰ্শ আগুৱাই নিলে বিশ্বই সেই আদৰ্শ আদৰি ল'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। আনহাতে কলাক্ষেত্ৰৰ চোৰা-চিতাৰ দায়িত্ব কেৱল কলাক্ষেত্ৰ সমাজৰ ওপৰতে এৰি নিদি সমগ্ৰ সমাজখনে এই দায়িত্ব বহন কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদানৰ বলতে অসমীয়া জাতীয়ে বৌদ্ধিক, আধ্যাত্মিক আৰু সাংস্কৃতিক দিশত বিশ্বত নিজৰ পৰিচয় দিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে গুৰুজনাৰ আদৰ্শ বিশ্বত প্ৰতিষ্ঠা কৰিবলৈ প্ৰতিগৰাকী অসমীয়াই পদক্ষেপ ল'ব লাগিব। যিদৰে শিখ

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

জাতিয়ে মহাপুৰুষ গুৰু নানকৰ আদৰ্শ বিশ্ব সমাজলৈ কঢ়িয়াই নিছে, ঠিক একেদৰে গুৰুজনাক বিশ্বত প্ৰতিষ্ঠা কৰিবলৈ প্ৰতিগৰাকী অসমীয়াই অহোপুৰুষাৰ্থ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। তদুপৰি উঠি অহা প্ৰজন্মক গুৰুজনাৰ আদৰ্শৰে ভাল ব্যক্তিত্বৰ অধিকাৰী নাগৰিক হিচাপে গঢ়ি তুলিবলৈ পদক্ষেপ লোৱাৰ বাবেও মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়। সেইদৰে শংকৰদেৱ কলাক্ষেত্ৰক অধিক গতিশীল কৰি তোলাৰ স্বাৰ্থত বছৰৰ প্ৰতিটো দিনৰে যাতে সদ্ ব্যৱহাৰ হয় সেই লক্ষ্যৰে কলাক্ষেত্ৰ সমাজক বাৰ্ষিক কৰ্মসূচী প্ৰস্তুত কৰি আগুৱাই যাবলৈ মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়।

শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী সোণোৱালে কলাক্ষেত্ৰ চৌহদত গুৱাহাটী উন্নয়ন বিভাগে সংস্থাপন কৰা ১৪ টা হাইমাষ্ট লাইট উদ্বোধন কৰাৰ লগতে কলাক্ষেত্ৰৰ তথ্য সমৃদ্ধ এখন 'তথ্য পুস্তিকা' আৰু কলাক্ষেত্ৰৰ ৱেবছাইট, ফেচবুক পেজ আৰু টুইটাৰ একাউন্ট মুকলি কৰে।

বটদ্ৰৱা সমষ্টিৰ বিধায়িকা তথা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উপ-সভাপতি আংগুৰলতা ডেকাই আদৰণী ভাষণ প্ৰদান কৰা প্ৰতিষ্ঠা দিৱসৰ এই কাৰ্যসূচীত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ কুইন ওজাইও ভাষণ প্ৰদান কৰে।

এই অনুষ্ঠানত বিধায়ক ক্ৰমে অতুল বৰা আৰু সুমন হৰিপ্ৰিয়া, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ প্ৰমুখ্যে কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ, ৰাজ্য চৰকাৰৰ নিগম-নিকায়ৰ অধ্যক্ষ-উপাধ্যক্ষৰ লগতে বহু সংখ্যক লোক উপস্থিত থাকে।

**বীঃগঃ**
**৯/১১/২০২০**